**প্ৰেছ টোকা**

**৩১-০৫-২০২১**

# গ্ৰামাঞ্চলত কোভিড-১৯ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধী যুঁজ

## অসমত ৩০৪খন কোভিড মুক্ত গাঁও পঞ্চায়ত আৰু গ্ৰাম্য পৰিষদ

## কোভিড-১৯ৰ বিৰুদ্ধে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে গঢ়ি তোলা গণ আন্দোলনত মাননীয় মন্ত্ৰী, সাংসদ, বিধায়ক আৰু পৰিষদীয় সমষ্টিৰ সদস্যসকলৰ উৎসাহজনক অংশগ্ৰহণ

চহৰাঞ্চলত বহুলভাৱে কোভিড-১৯ পজিটিভ ৰোগীৰ সংখ্যা বঢ়াৰ লগে লগে গ্ৰামাঞ্চলতো ক্ৰমান্বয়ে এই ৰোগ সোঁচৰিববলৈ আৰম্ভ কৰিছে। এনে প্ৰেক্ষাপটত গাঁও অঞ্চলত কোভিড-১৯ৰ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধৰ ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ভূমিকা আৰু দায়িত্ব অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে।

গণ আন্দোলনৰ মাধ্যমেৰে গ্ৰামাঞ্চলত কোভিড-১৯ প্ৰতিৰোধ কৰিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে বিভিন্ন ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিছে।

অসমত মুঠ ২,১৯৭খন গাঁও পঞ্চায়ত আৰু ষষ্ঠ অনুসূচীৰ অন্তৰ্গত জিলাসমূহত ৪৭৯খন ভিচিডিচি আৰু ভিডিচি (কাৰ্বি আংলং স্বায়ত্ব পৰিষদ-৪০খন ভিডিচি, ডিমা হাচাও কাউন্সিল-২৮খন ভিডিচি আৰু বিটিএডি-৪১১খন ভিচিডিচি) আছে। গ্ৰামাঞ্চলত কোভিড-১৯ৰ বৰ্দ্ধিত সংক্ৰমণ নিয়ন্ত্ৰণ কৰিবলৈ গ্ৰামাঞ্চলৰ তৃণমূল পৰ্যায়ত থকা অগ্ৰণী প্ৰতিষ্ঠান গাঁও পঞ্চায়ত আৰু ভিচিডিচি/ভিডিচিসমূহক কোভিড-১৯ মহামাৰী বিৰোধী যুঁজখনৰ বাবে অধিক সক্ৰিয় আৰু সচেতন কৰি তোলা হৈছে।

প্ৰতিখন গাঁও পঞ্চায়ত আৰু ভিচিডিচি/ভিডিচিতে একোটাকৈ ‘যুদ্ধ কক্ষ’ (War Room) স্থাপন কৰা হৈছে আৰু ই গ্ৰামাঞ্চলত কোভিড-১৯ বিৰোধী যুঁজখনৰ বাবে ন'ডেল কেন্দ্ৰ হিচাপে কাম কৰিছে। প্ৰতিখন গাঁও পঞ্চায়ত আৰু ভিচিডিচি/ভিডিচিতে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলৰ অংশগ্ৰহণেৰে কাৰ্য দল (Task Force) গঠন কৰা হৈছে। প্ৰতিখন গাঁও পঞ্চায়ত আৰু ভিচিডিচি/ভিডিচিতে চেনিটাইজ্যেচনৰ কাম হাতত লোৱা হৈছে। প্ৰয়োজন সাপেক্ষে দুৰ্বল শ্ৰেণীৰ লোক যেনে-জব কাৰ্ড হ'ল্ডাৰ, অৰ্থনৈতিকভাৱে অতি পিছপৰা শ্ৰেণীৰ লোক, বিধৱা, উপান্ত কৃষকৰ মাজত বিনামূলীয়াকৈ মাস্ক বিতৰণ কৰা হৈছে। বৰ্তমান গ্ৰামাঞ্চলত এই মহামাৰীৰ বিৰুদ্ধে গণ আন্দোলন গঢ়ি উঠিছে।

**প্ৰগতিৰ ভাৰতবৰ্ষ নিৰ্মাণৰ অন্যতম খনিকৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে সফলতাৰে গৌৰৱময় সপ্তম বৰ্ষ অতিক্ৰম কৰাৰ শুভ ক্ষণত গ্ৰামাঞ্চলত কোভিড-১৯ৰ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে গঢ়ি তোলা গণ আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আমি মাননীয় মন্ত্ৰী, সাংসদ, বিধায়ক আৰু পৰিষদীয় সমষ্টিৰ সদস্যসকলক আহ্বান জনাইছিলো। কালিৰ দিনটোত সকলোৰে এই আহ্বানৰ প্ৰতি বিশেষ সঁহাৰি জনাইছে আৰু আমাৰ বিভাগে আৰম্ভ কৰা কোভিড প্ৰতিৰোধী যুঁজখনত মাননীয় মন্ত্ৰী, সাংসদ, বিধায়ক আৰু পৰিষদীয় সমষ্টিৰ সদস্যসকলৰ উৎসাহজনক অংশগ্ৰহণে এই প্ৰতিৰোধী অভিযান অধিক ক্ষিপ্ৰ আৰু ফলপ্ৰসূ কৰি তুলিলে। তিনিগৰাকী মন্ত্ৰী, দুগৰাকী সাংসদ, ছল্লিশ গৰাকী বিধায়ক আৰু চাৰিগৰাকী পৰিষদীয় সদস্যই আমাৰ এই কাৰ্যসূচীত অংশ গ্ৰহণ কৰিছে আৰু সঁচা অৰ্থতে এই আন্দোলনক গণ আন্দোলনৰ ৰূপ দিছে। ইয়াৰ বাবে মই বিভাগীয় মন্ত্ৰী হিচাপে সকলোকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আগন্তুক দিনত উন্নয়নী যাত্ৰাৰ প্ৰতিটো স্তৰতে সকলোৰে সক্ৰিয় সহযোগিতা পাম বুলি আমি নিশ্চিত।**

এতিয়া গ্ৰামাঞ্চলৰ প্ৰতিজন ব্যক্তিয়ে কোভিড প্ৰট'কল সম্পৰ্কে সজাগ হৈছে। গাঁও পঞ্চায়তসমূহে চেনিটাইজ্যেচন প্ৰক্ৰিয়া তীবতৰ কৰি তুলিছে। আমাৰ পঞ্চায়ত প্ৰতিনিধিসকলেও অতি তৎপৰতাৰে আৰু বিচক্ষণতাৰে এই অভিযানত অংশগ্ৰহণ কৰিছে। কোভিড পৰীক্ষাই হওক বা প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰতেই হওক আমাৰ পঞ্চায়ত সমূহে বিভিন্নধৰণে সহায় আগবঢ়াইছে। সজাগতা অভিযান, গাঁৱত থকা কোভিড পজিটিভ পৰিয়ালসকললৈ সাহায্য বিতৰণ আদিৰ জৰিয়তে আজি পঞ্চায়তে পঞ্চায়তে যেন মানৱতাৰ জয়গান গাইছে।

গ্ৰামাঞ্চলত কোভিড-১৯ প্ৰতিৰোধী যুঁজখন সফল কৰাৰ অৰ্থে লোৱা পদক্ষেপ সম্পৰ্কীয় প্ৰতিবেদনত এইটো পৰিলক্ষিত হৈছে যে ৰাজ্যখনত বৰ্তমান ৩০৪খন কোভিড-১৯ মুক্ত গাঁও পঞ্চায়ত আৰু ভিচিডিচি/ভিডিচি আছে। ইয়াৰে ১৭৩খন গাঁও পঞ্চায়ত আৰু ১৩১খন ভিচিডিচি/ভিডিচি। কম দিনৰ ভিতৰত সকলোৰে একান্ত নিষ্ঠা আৰু সহযোগৰ বলত আমাৰ সম্পূৰ্ণ গ্ৰামাঞ্চল সম্পূৰ্ণৰূপে কোভিড মুক্ত বুলি আমি গৌৰৱেৰে ক'ব পাৰিম বুলি মই আশাবাদী।

তদুপৰি আমাৰ নিয়মীয়াকৈ ৰূপায়ণ কৰি থকা আঁচনি যেনে মহাত্মা গান্ধী এনৰেগা, প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ আদিও বিভাগৰ বিষয়া-কৰ্মচাৰী তথা হিতাধিকাৰীসকলৰ নিৰলস প্ৰচেষ্টাত ফলপ্ৰসূভাৱে ৰূপায়ণ কৰি থকা হৈছে। আমাৰ বিভাগৰ অধীনত চলি থকা পেন্সন আঁচনিসমূহৰ জৰিয়তেও আমি জনসাধাৰণক নিয়মীয়াকৈ আৰ্থিক সহায় আগবঢ়াবলৈ যত্ন কৰি আহিছো। আপোনলোক সকলোৰে জ্ঞাত যে আমাৰ ৰাজ্যৰ নিজা পুঁজিৰে ৰূপায়ণ কৰি থকা দুখনকৈ

সাৰ্বজনীন আঁচনি—শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি (২৫০টকাকৈ)আৰু ইন্দিৰা মিৰি সাৰ্বজনীন  বিধৱা পেন্সন আঁচনিৰ পেন্সন (৩০০টকাকৈ)ৰ ধন যাতে প্ৰতিমাহে নিয়মীয়াকৈ লাভ কৰে তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ তৎপৰতাত এই আঁচনি দুখনৰ পুঁজি মুকলি প্ৰক্ৰিয়া অধিক সৰলীকৰণ কৰা হৈছে। ফলত বৰ্তমানে থকা ১৫ লাখতকৈ অধিক হিতাধিকাৰীয়ে প্ৰতিমাহৰ ১০ তাৰিখে পেন্সন পোৱাটো সুনিশ্চিত হ'ল। এনেদৰে এফালে কোভিড প্ৰতিৰোধ কৰিবলৈ যত্ন কৰাৰ লগে লগে গাঁৱৰ জনসাধাৰণক আৰ্থিক সকাহ প্ৰদানেৰে গ্ৰাম্য অৰ্থনীতিৰ ভেঁটি ধৰি ৰাখিবলৈও যত্ন কৰা হৈছে। এই আপাহতে সকলো যোগ্য লোককে এই সাৰ্বজনীন আঁচনি দুখনৰ সুফল লাভ কৰাৰ বাবে আগবাঢ়ি আহিবলৈ মই আহ্বান জনালো।

০০০